NSD NEWS BULLETIN
AKASHVANI, GUWAHATI
0000000000

**Date : 18**-12-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

১। নিৰ্বাচন আয়োগে আজি নতুন দিল্লীত সমাগত দিল্লী বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰে।

২। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি ৰাজ্যসভাত কালি তেওঁ দিয়া বক্তব্যক কংগ্ৰেছে বিকৃত কৰা বুলি অভিযোগ তোলে।

৩। কেন্দ্ৰীয় গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে আৰক্ষীৰ আধুনিকীকৰণৰ বাবে সৰ্বমুঠ ৪ হাজাৰ ৮৪৬ কোটি টকা ব্যয়ত অনুমোদন জনাইছে। ***আৰু***

৪। সাহিত্য একাডেমীয়ে আজি নতুন দিল্লীত এইবছৰৰ সাহিত্য একাডেমী বঁটাসমূহ ঘোষণা কৰিছে।

ooooo

নিৰ্বাচন আয়োগে আজি নতুন দিল্লীত সমাগত দিল্লী বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰে। মুখ্য নিৰ্বাচনী আয়ুক্ত ৰাজীৱ কুমাৰৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত নিৰ্বাচন আয়ুক্তদ্বয় জ্ঞানেশ কুমাৰ আৰু ড° সুখবীৰ সিং সান্ধু আৰু আইন বলবৎকাৰী সংস্থাসমূহে অংশগ্ৰহণ কৰে। ইয়াৰ আগতে নিৰ্বাচন আয়োগে আজি এই সন্দৰ্ভত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলৰ সৈতে আলোচনাত মিলিত হয়।

ooooo

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি ৰাজ্যসভাত কালি তেওঁ দিয়া বক্তব্যক কংগ্ৰেছে বিকৃত কৰা বুলি অভিযোগ তোলে। নতুন দিল্লীত আজি দলৰ মুখ্য কাৰ্যালয়ত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীশ্বাহে অভিযোগ কৰে যে কংগ্ৰেছ, বি আৰ আম্বেদকাৰ আৰু সংবিধান বিৰোধী দল। জৰুৰীকালীন শাসন প্ৰৱৰ্তন কৰি কংগ্ৰেছে সংবিধানৰ মৰ্যাদা হানি কৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰীগৰাকীয়ে কয়, যে যেতিয়া সংসদৰ দৰে দেশৰ শ্ৰেষ্ঠ গণতান্ত্ৰিক মঞ্চত কোনো বিষয়ে উত্থাপন কৰা হয়, সেই বিষয় সত্য আৰু তথ্যৰ আধাৰত দাঙি ধৰা উচিত।

ooooo

কেন্দ্ৰীয় গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে আৰক্ষীৰ আধুনিকীকৰণৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক সহায় কৰা আঁচনিৰ অধীনত সৰ্বমুঠ ৪ হাজাৰ ৮৪৬ কোটি টকা ব্যয়ত অনুমোদন জনাইছে। ৰাজ্যসভাত এটা লিখিত প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয়, যে এই আঁচনিৰ সহায়ত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ আৰক্ষীক আধুনিক প্ৰযুক্তি, অস্ত্ৰ-শস্ত্ৰ আৰু যোগাযোগ সজুলিৰ লগতে আৰক্ষী চকীসমূহ উন্নত কৰি গঢ়ি তোলা হ'ব। এই আঁচনিৰ জৰিয়তে গৃহ নিৰ্মাণকে ধৰি অন্যান্য আন্তঃগাথনিৰ গতিশীলতা আৰু নিৰ্মাণো অন্তৰ্ভুক্ত কৰা হৈছে।

ooooo

ড° বি আৰ আম্বেদকাৰ সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ বক্তব্য বিকৃত কৰা বুলি চৰকাৰে বিৰোধী পক্ষৰ প্ৰতি অভিযোগ তোলে। সংসদ ভৱনত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, যে ৰাজ্যসভাত শ্ৰীশ্বাহৰ বক্তব্যৰ ক্ষুদ্ৰ অংশ এটা প্ৰচাৰ হৈছে, যাৰ ফলত তেওঁৰ মন্তব্য বিকৃত ৰূপত প্ৰকাশ পাইছে। সংসদৰ দুয়োখন সদনৰ কাম-কাজত ব্যাঘাত জন্মাবলৈ এই বিষয়টোক লৈ বিৰোধী পক্ষ ব্যস্ত হৈ পৰা কথাটোতো তেওঁ সজোৰে বিৰোধিতা কৰে।

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ সাংসদ অনুৰাগ সিং ঠাকুৰেও এই বিষয়টো সন্দৰ্ভত কংগ্ৰেছক গৰিহণা দিয়ে। সংসদৰ বাহিৰত সংবাদ কৰ্মীৰে হোৱা কথা বতৰাত তেওঁ কয়, কংগ্ৰেছে যে সদায় পিছপৰা শ্ৰেণীৰ লোকৰ বিৰোধিতা কৰি আহিছে, সেই কথা শ্ৰীশ্বাহে উদঙাই দি আহিছে। তেওঁ এইবুলিও অভিযোগ কৰে যে, কংগ্ৰেছৰ শাসনকালত আম্বেদকাৰক ভাৰত ৰত্ন সন্মান প্ৰদান কৰা হোৱা নাছিল।

ইয়াৰ পূৰ্বে সংসদ ভৱন চৌহদত বিৰোধী দলৰ সদস্যসকলে ড° বি আৰ আম্বেদকাৰ সন্দৰ্ভত শ্ৰীশ্বাহৰ মন্তব্যৰ বিৰোধিতা কৰে। কংগ্ৰেছ, ডি এম কে, বাওপন্থী, আৰ জে দি, আপ আৰু আন দলৰ সদস্যসকলে এই প্ৰতিবাদত যোগদান কৰে আৰু জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধী আৰু মল্লিকাৰ্জুন খাৰ্গে, দি এম কেৰ সাংসদ টি আৰ বালু আৰু আৰ জে দিৰ মনোজ ঝাও এই প্ৰতিবাদত অংশগ্ৰহণ কৰে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীখাৰ্গে গৃহমন্ত্ৰী অমিত শ্বাহৰ বক্তব্যৰ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁ অভিযোগ তোলে যে এই বক্তব্যৰ দ্বাৰা শ্ৰীশ্বাহে ভাৰতীয় সংবিধানৰ প্ৰণেতাগৰাকীক অপমানিত কৰে।

বিৰোধী দলপতি ৰাহুল গান্ধীয়েও শ্ৰীশ্বাহৰ বক্তব্যক আক্ৰমণৰ লক্ষ্য কৰি লয়। সংসদৰ বাহিৰত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তেওঁ চৰকাৰে সংবিধানক অৱমাননা কৰা বুলি অভিযোগ কৰে। তেওঁ এইবুলিও কয় যে বিজেপি দল ড° আম্বেদকাৰৰ আদৰ্শৰ পৰিপন্থী।

ooooo

সাহিত্য একাডেমীয়ে আজি নতুন দিল্লীত এইবছৰৰ সাহিত্য একাডেমী বঁটাসমূহ ঘোষণা কৰিছে। আজি ঘোষণা কৰা ২১টা ভাৰতীয় ভাষাৰ ভিতৰত অসমীয়া ভাষাত **ফৰিংবোৰে বাটৰ কথা জানে** কাব্যগ্ৰন্থৰ বাবে সমীৰ তাঁতীক এই বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। বড়ো ভাষাৰ ঔপন্যাসিক অৰণ ৰাজাক এই বছৰৰ সাহিত্য একাডেমীৰ বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। হাউবাম সত্যৱতী দেৱীক তেওঁৰ কাব্য সংকলনৰ বাবে মণিপুৰী ভাষাত এই বছৰৰ সাহিত্য একাডেমী বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। দীপক কুমাৰ শৰ্মাক সংস্কৃত ভাষাৰ কাব্যগ্ৰন্থৰ বাবে, বৈষ্ণৱ চৰণ চামালক ওড়িয়া ভাষাৰ গদ্য ৰচনাৰ বাবে, গগন গীলক হিন্দী ভাষাৰ কাব্য গ্ৰন্থৰ বাবে, ইস্তাৰিং কিৰেক ইংৰাজী ভাষাৰ উপন্যাসৰ বাবে এই বছৰৰ সাহিত্য একাডেমী বঁটাৰ বাবে বাচনি কৰা হৈছে। বাংলা, দোগ্ৰী, আৰু উৰ্দু ভাষাৰ বাবে সাহিত্য একাডেমীৰ বঁটা পৰৱৰ্তী পৰ্যায়ত ঘোষণা কৰা হব বুলি সাহিত্য একাডেমীয়ে প্ৰকাশ কৰিছে। এই বঁটাত আছে নগদ এক লাখ টকা, এখন তাম্ৰপত্ৰ, আৰু অংগবস্ত্ৰ। অহা বছৰৰ ৮ মাৰ্চত নতুন দিল্লীৰ কামানি প্ৰেক্ষাগৃহত সাহিত্য একাডেমী বঁটাসমূহ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব।

ooooo

ৰাষ্ট্ৰীয় সংখ্যালঘু আয়োগে সংখ্যালঘু জনগোষ্ঠীৰ প্ৰতিনিধিসকলৰ অংশগ্ৰহণৰে সম্প্ৰীতি গঢ়ি তোলাৰ উদ্দেশ্যে বৌদ্ধ, জৈন আৰু আন ধৰ্মৰ লোকৰ সমস্যাৱলীৰ বিষয়ে আলোচনা কৰিবলৈ সৰ্বধৰ্ম সংবাদ অনুষ্ঠিত কৰে। আজি লোকসভাত এটা প্ৰশ্নৰ লিখিত উত্তৰত সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, যে ২০২১ চনৰ পৰা

এতিয়ালৈকে ৩৮ খন এনে বৈঠক অনুষ্ঠিত কৰা হয়। ইয়াৰ ভিতৰত দেশৰ জৈন আৰু বৌদ্ধ সম্প্ৰদায়ৰ মাজত এনে ৫ খন বৈঠক অনুষ্ঠিত কৰা হয়। এই বৈঠকসমূহত বুদ্ধগয়া মন্দিৰৰ পৰিচালনা, জৈন বিহাৰসমূহৰ নিৰাপত্তা, পালি ভাষাৰ বিকাশ, আওহতীয়া অঞ্চলত থকা বৌদ্ধ মঠ-মন্দিৰসমূহৰ বিদ্যালয় আৰু সমূহীয়া ভৱন নিৰ্মাণ আদি বিষয় আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে জৈন আৰু বৌদ্ধ সম্প্ৰদায়ৰ ধাৰ্মিক পৰ্যটনৰ অংশস্বৰূপে কৰ্ণাটক, লেহ-লাডাখ, মধ্য প্ৰদেশ, মহাৰাষ্ট্ৰ, গোৱা, দিল্লী, পাঞ্জাব, চণ্ডিগড়, জম্মু আৰু কাশ্মীৰ, ঝাৰখণ্ড আৰু ৰাজস্থানৰ বিভিন্ন স্থানলৈ তীৰ্থ ভ্ৰমণৰ ব্যৱস্থা কৰা হয়। শ্ৰীৰিজিজুৱে কয়, যে ভাৰত চৰকাৰৰ সংস্কৃতি মন্ত্ৰালয়ৰ অধীনত ৩ টা স্বায়ত্ত শাসিত সংস্থা- লেহৰ কেন্দ্ৰীয় বৌদ্ধ অধ্যয়ন প্ৰতিষ্ঠান নালন্দাৰ নৱ নালন্দা মহাবিহাৰ, সাৰনাথৰ উচ্চমানৰ তীববতীয় অধ্যয়নৰ কেন্দ্ৰীয় প্ৰতিষ্ঠানক ইতিমধ্যে বিশ্ববিদ্যালয় পৰ্যায়ৰ স্বীকৃতি দিয়া হৈছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে আজি ইজৰাইলৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী গিডিঅ'ন ছা'ৰৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে। এই বাৰ্তালাপৰ বিষয়ে প্ৰকাশ কৰি ইজৰাইলৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে সেই দেশৰ উন্নয়নমূলক প্ৰকল্পসমূহৰ বিষয়ে জয়শংকৰক অৱগত কৰে বুলি জানিবলৈ দিয়ে। দুয়োদেশৰ দ্বিপাক্ষিক সহযোগিতা বৃদ্ধি আৰু শক্তিশালী কৰাৰ বাবেও দুয়োগৰাকী বৈদেশিক পৰিক্ৰমা মন্ত্ৰী সন্মত হয় বুলিও ড° জয়শংকৰে সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰকাশ কৰে।

০০০০০

কুৱেইটত দুদিনীয়া ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২১ ডিচেম্বৰত দেশখনৰ ৰাজধানী কুৱেইট ছিটিত উপস্থিত হ'ব। কুৱেইটৰ আমীৰ শ্বেইখ মেচাল অল আহমেদ অল জাবেৰ অল চবাহৰ আমন্ত্ৰণক্ৰমে দেশখন ভ্ৰমণলৈ যোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী হ'ব যোৱা ৪৩ বছৰত সেই দেশ ভ্ৰমণ কৰা প্ৰথমগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰী। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে, এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে কুৱেইটৰ নেতাসকলৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হোৱাৰ লগতে প্ৰৱাসী ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ সৈতেও মত বিনিময় কৰিব। উল্লেখযোগ্য যে কুৱেইটত বসবাস কৰা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকল হৈছে দেশখনত থকা প্ৰধান প্ৰৱাসী অধিবাসী। শ্ৰীমোদীৰ এই ভ্ৰমণে দুয়োদেশৰ মাজৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ লগতে দেশ দুখনৰ জনসাধাৰণৰ মাজৰ মৈত্ৰীপূৰ্ণ সম্পৰ্কও অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

০০০০০

ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে পথৰ কাষত ধাতুৰে নিৰ্মিত দুৰ্ঘটনাৰোধক স্থাপনৰ বাবে নিৰ্ধাৰিত নিৰ্দেশনাসমূহ কঠোৰভাৱে পালন কৰাটো নিশ্চিত কৰিবলৈ ঠিকাদাৰসকললৈ নিৰ্দেশনা জাৰি কৰিছে। পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ৰ এটা বিবৃতিত নিৰ্দেশনা অনুসৰি ঠিকাদাৰসকলে দুৰ্ঘটনাৰোধকৰ বাবে যোগান ধৰা সামগ্ৰী ক্ৰেছ টেষ্ট ৰিপৰ্টত দিয়াৰ দৰে বিশেষ হ'ব লাগে আৰু প্ৰস্তুতকাৰীয়ে প্ৰদান কৰা পদ্ধতি অনুসৰি স্থাপন কৰিব লাগিব বুলি প্ৰকাশ কৰে। ইয়াৰ উপৰি নিৰ্ধাৰিত আৰ্হি আৰু মান ৰক্ষা কৰি স্থাপন কৰা প্ৰতিৰোধকৰ বাবে তেওঁলোকে প্ৰস্তুতকাৰীসকলৰ পৰা প্ৰমাণপত্ৰও লাভ কৰিব বুলিও উল্লেখ কৰে।

০০০০০

আন্দামান নিকোবৰ দ্বীপপুঞ্জৰ দ্বীপসমূহৰ নাম, দেশৰ মহান বীৰসকলৰ নামেৰে নামকৰণ কৰিবলৈ লোৱা পদক্ষেপে ভৱিষ্যত প্ৰজন্মক সেই মহান বীৰসকলৰ সেৱা আৰু ত্যাগৰ বিষয়ে অৱগত কৰোৱাৰ এটা মহান প্ৰয়াস

বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে দেশৰ উন্নয়নৰ বাবে ঘাই শিপাৰ সৈতে যুক্ত হৈ থকাটো অতি গুৰুত্বপূৰ্ণ। প্ৰধানমন্ত্ৰীয়ে আৰু লগতে কয়, যে দেশৰ মুক্তি যুঁজাৰু আৰু বিশিষ্ট ব্যক্তিসকলৰ স্মৃতি ৰোমন্থন কৰা আৰু সংৰক্ষণ কৰাৰ বাবে এই প্ৰয়াস মাইলৰ খুঁটিৰূপে পৰিগণিত হ'ব।

০০০০০

সমাপ্ত